# ভোটাৰৰ নিৰ্দেশাৱলী

**ভাৰতৰ নিৰ্বাচন আয়োগ**

**পদ্ধতিগত ভোটাৰৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ (SVEEP)**

ভাৰত নিৰ্বাচন আয়োগ Election Commission of India

**আমাৰ লক্ষ্য**
**ক'ভিডৰ পৰা**
**এক সুৰক্ষিত নিৰ্বাচন**



## ক'ভিড- ১৯ ৰ সময়ত সুৰক্ষিত নিৰ্বাচন

মাস্ক, মুখাৱৰণ আৰু হাতমোজা

সকলো ব্যক্তিৰ শৰীৰৰ উষ্ণতা জোখা

ছেনিটাইজাৰ, চাবোন আৰু পানী

সামাজিক দূৰত্ব

দীঘলীয়া শাৰী পৰিহাৰ কৰিবলৈ টোকেনৰ ব্যৱস্থা

পোষ্টেল বেলটৰ বিকল্প সুবিধা

**নিম্নলিখিত শ্ৰেণীৰ লোকসকলে ১২-ডি নং প্ৰ-পত্ৰ পূৰণ কৰি পোষ্টেল বেলটৰ যোগেৰে ভোটদান কৰিব পাৰে-**

**১. জ্যেষ্ঠ নাগৰিক (৮০ ৰ উৰ্দ্ধৰ লোক)#**

**২. ভোটাৰ তালিকাত চিহ্নিত কৰা দিব্যাংগ লোক#**

**৩. ক'ভিড- ১৯ ত আক্ৰান্ত বা সন্দেহযুক্ত লোক##**






যিসকল ভোটাৰে পোষ্টেল বেলটৰ আবেদন গ্ৰহণ কৰে তেওঁলোকে পোষ্টেল বেলটৰ যোগেৰেহে ভোটদান কৰিব পাৰিব। তেওঁলোকে ভোটদানৰ দিনাখন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰিব নোৱাৰিব।

#বুথ পৰ্যায়ৰ বিষয়াই সংশ্লিষ্ট ভোটাৰসকলৰ ঘৰলৈ গৈ ১২-ডি নং প্ৰ-পত্ৰখন বিতৰণ কৰিব। যদি ভোটাৰে পোষ্টেল বেলট যোগে ভোট দিবলৈ ইচ্ছা কৰে, তেতিয়া বুথ পৰ্যায়ৰ বিষয়াজনে অধিসূচনা জাৰি কৰাৰ ৫ দিনৰ ভিতৰত পূৰণ কৰা প্ৰ-পত্ৰ খন সংগ্ৰহ কৰি ৰিটাৰ্নিং বিষয়াৰ ওচৰত জমা দিব।

## যিসকল ব্যক্তি ঘৰ বা কোনো প্ৰতিষ্ঠানত কোৱাৰেন্টাইন হৈ আছে তেওঁলোকে অধিসূচনা জাৰি কৰাৰ ৫ দিনৰ ভিতৰত ১২-ডি নং প্ৰ-পত্ৰ খন পূৰণ কৰি ৰিটাৰ্নিং বিষয়াৰ ওচৰত জমা দিব পাৰিব। প্ৰ-পত্ৰ খনৰ সৈতে উপযুক্ত কৰ্তৃপক্ষ (ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্ত) দিয়া কোৱাৰেন্টাইন প্ৰমাণপত্ৰ জমা কৰিব লাগিব।



**ভোটদান কেন্দ্ৰৰ বাধ্যতামূলক ছেনিটাইজেচন**

**প্ৰতিটো ভোটকেন্দ্ৰত ভোটাৰৰ সংখ্যা কম কৰা হ'ব আৰু ভোটদানৰ সময়সীমা ১ ঘণ্টা পৰ্যন্ত বঢ়াই দিয়া হ'ব।**

**পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ভোটদান কৰিব পাৰিব**

**<১০০০ ভোটাৰ**

# ভোটদানৰ দিনা

ভোটগ্ৰহণৰ দিনাখন বন্ধ ঘোষণা কৰা হৈছে








ভোটদান কেন্দ্ৰৰ অনুসন্ধান কৰক ঃ

- **voteportal.eci.gov.in** ত
- ১৯৫০ ত SMS কৰক **ECIPS <SPACE> <EPIC NO>**

ভোটদান কেন্দ্ৰলৈ যিকোনো এখন অনুমোদিত পৰিচয় পত্ৰ আৰু ভোটাৰ শ্লিপ* লগত নিব লাগিব|



৬ ফুট দূৰত্ব

## ভোটদানৰ দিনা পালন কৰিবলগীয়া সুৰক্ষা সম্বন্ধীয় নিৰ্দেশাৱলী ঃ

* ভোটাৰ শ্লিপখন **ভোটাৰ হেল্পলাইন এপৰ** জৰিয়তেও উলিয়াব পাৰিব



যদি শৰীৰৰ উষ্ণতা দুবাৰ জোখাৰ পাছতো নিৰ্ধাৰিত মানতকৈ অধিক হয়, তেতিয়া ভোটাৰজনক এটা টোকেন/প্ৰমাণপত্ৰ দিয়া হ'ব আৰু ক'ভিড -১৯ ৰ প্ৰতিৰোধমূলক ব্যৱস্থা মানি ভোটদানৰ অন্তিম ঘন্টাত ভোট দানৰ সুবিধা দিয়া হ'ব।




হাত দুখন চেনিটাইজ কৰিব লাগিব আৰু মাস্ক, হাতমোজা পৰিধান কৰিব লাগিব




কোনো ধৰণৰ বৈদ্যুতিন সা-সামগ্ৰীৰ অনুমতি নাই

# নিজৰ বহুমূলীয়া ভোটটো এইদৰে দিয়ক




ভোটাৰসকলে শাৰীৰিক দূৰত্ব বজাই শাৰী পাতিব লাগিব

ভোটাৰসকলক হাত মোজা দিয়া হ'ব



**প্ৰথম প'লিং বিষয়াজনে** ভোটাৰ তালিকাত আপোনাৰ নাম আৰু পৰিচয় পত্ৰখন পৰীক্ষা কৰিব। চিনাক্তকৰণৰ বাবে ভোটাৰে নিজৰ মাস্কখন তললৈ নমাই দিব।

৬ ফুট

**দ্বিতীয় প'লিং বিষয়াজনে** হাতৰ আঙুলিৰ নখত অমোচনীয় চিয়াঁহীৰ চিন দিব,এখন শ্লিপ দিব আৰু আপোনাৰ চহী ল'ব




৬ ফুট

**তৃতীয় প'লিং বিষয়াজনে** শ্লিপখন ল'ব আৰু আঙুলিৰ নখত দিয়া চিয়াঁহীৰ চিন পৰীক্ষা কৰিব।



ভোটাৰসকলে নিজৰ পছন্দ প্ৰাৰ্থীক ভোট দিবলৈ ইভিএম (EVM) মেচিনত প্ৰাৰ্থীৰ নামৰ বিপৰীতে থকা বুটাম টিপিব লাগিব, বিপ শব্দৰ লগত ৰঙা লাইট জ্বলি উঠিব। লগে লগে VVPAT মেচিনৰ পৰ্দাত দেখা মুদ্ৰিত কাগজৰ শ্লিপখনত ভোটাৰগৰাকীয়ে ভোটদানৰ স্থিতি পৰীক্ষা কৰিব পাৰিব।



"ওপৰোক্ত কোনো এজনো নহয়" (নোটা) অন্তিম বিকল্প হিচাপে থাকিব।

NOTA

# ভোটদানৰ অন্তিম ঘন্টাৰ প্ৰক্ৰিয়া

ভোটকেন্দ্ৰত এবাৰত এজন ভোটাৰে পিপিই কিট পৰিধান কৰি যাব লাগিব




৬ ফুট

৬ ফুট

৬ ফুট

ইভিএম-ভিভিপেট(EVM-VVPAT) ত ভোট দিয়াৰ পিছত, ভোটদান কেন্দ্ৰৰ পৰা ওলোৱাৰ আগতে ভোটাৰগৰাকীয়ে পিন্ধি থকা হাতমোজা ডাষ্টবিনত পেলাব আৰু হাত চেনিটাইজ কৰিব লাগিব।







ক'ভিড-১৯ ৰ লক্ষণ যুক্ত বা আক্ৰান্ত লোকসকলে ভোটগ্ৰহণৰ অন্তিম ঘন্টাত ভোটদান কৰিব পাৰিব। ভোটকেন্দ্ৰৰ ভিতৰত থকা কৰ্মীসকলৰ প্ৰত্যেককে তেওঁলোকৰ সুৰক্ষাৰ বাবে পিপিই কিট দিয়া হব।



# ইভিএম-ভিভিপেট(EVM - VVPAT)ব্যৱহাৰ কৰি কেনেদৰে ভোটদান কৰিব


১



**বুথত প্ৰৱেশ কৰক**


যেতিয়া আপুনি ভোটদান কক্ষলৈ যাব, তেতিয়া প্ৰিজাইডিং বিষয়াই বেলট ইউনিটটো অন কৰি দিব

২




**ভোটদান কৰক**

নিজৰ পছন্দৰ প্ৰাৰ্থীৰ নাম বা চিহ্নৰ বিপৰীতে থকা নীলা বুটাম টিপি দিয়ক




৩



**লাইট লক্ষ্য কৰক**

পছন্দৰ প্ৰাৰ্থীৰ নাম/চিহ্নৰ বিপৰীতে থকা ৰঙা লাইটটো জ্বলি উঠিব

৪



**আপোনাৰ ভোট পৰীক্ষা কৰক**

আপোনাৰ পছন্দৰ প্ৰাৰ্থীৰ ক্ৰমিক নং, নাম আৰু চিহ্ন ভিভিপেটৰ পৰ্দাত শ্লিপ আকাৰে দেখা যাব।


বিঃদ্রঃ
যদি আপুনি শ্লিপখন দেখা নাপায় আৰু বিপ শব্দটো ভালকৈ নুশুনে তেন্তে প্ৰিজাইডিং বিষয়াৰ সৈতে যোগাযোগ কৰক।



মনত ৰাখিব - মাস্ক, ছেনিটাইজাৰ, সামাজিক দূৰত্ব

# ভোটাসকলৰ বাবে গুৰুত্বপূৰ্ণ তথ্য

➡ ভোটাৰ তালিকাত নিজৰ নাম বিচাৰক




ভোটদানৰ বাবে ভোটাৰ তালিকাত আপোনাৰ নামটো সন্নিৱিষ্ট থাকিব লাগিব

➡ নিৰ্বাচন সম্বন্ধীয় যিকোনো তথ্য জানিবলৈ

**১৯৫০**ত ডায়েল কৰক




➡ পোষ্টেল বেলটৰ সুবিধাৰ বাবে

- **১৯৫০**ত ফোন কৰক
- **বুথ পৰ্যায়ৰ বিষয়াৰ** সৈতে যোগাযোগ কৰক








# অনুমোদিত পৰিচয় পত্ৰসমূহ

- ভোটাৰ পৰিচয় পত্ৰ (EPIC / e-EPIC*)
- আধাৰ কাৰ্ড
- মহাত্মা গান্ধী এনৰেগা (MGNREGA) জব কাৰ্ড
- পেন (PAN) কাৰ্ড
- বেংক বা ডাকঘৰৰ পাচবুক
- শ্ৰম মন্ত্ৰালয়ৰ অধীনৰ আচঁনিত প্ৰদান কৰা স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড
- ড্ৰাইভিং লাইচেঞ্চ
- পাৰপত্ৰ
- কেন্দ্ৰীয়/ ৰাজ্যিক/ পিএছইউ (PSUs) বা পাব্লিক লিমিটেড্ কোম্পানীয়ে কৰ্মচাৰীক প্ৰদান কৰা ফটোযুক্ত সেৱা পৰিচয় পত্ৰ
- ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জীৰ অধীনত ভাৰতৰ মহাপঞ্জীয়কে প্ৰদান কৰা স্মাৰ্ট কাৰ্ড
- ফটোযুক্ত পেঞ্চন নথি
- সাংসদ/ বিধায়ক/বিধান পৰিষদৰ সদস্যসকলক প্ৰদান কৰা চৰকাৰী পৰিচয় পত্ৰ

*নতুনকৈ পঞ্জীয়ন কৰা ভোটাৰ সকলৰবাবে

সদায় মাস্ক পৰিধান কৰক



# দিব্যাংগ (PWD) আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে সুবিধাসমূহ

- হুইল চেয়াৰ
- ব্ৰেইলসহ ইভিএম(EVM)
- সাংকেতিক ভাষা
- বিশেষ স্বেচ্ছাসেৱক
- দিব্যাংগসকলৰ বাবে যাতায়তৰ সুবিধা
- দিশৰ নিৰ্দেশ
- দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকক অগ্ৰাধিকাৰ

ভোটকেন্দ্ৰত অন্য সুবিধাসমূহ হৈছে

- পৃথক পৃথক শাৰী
- খোৱা পানীৰ ব্যৱস্থা
- প্ৰাথমিক সেৱা
- জিৰণি কক্ষ
- শৌচালয়

অনলাইন পঞ্জীয়ন কৰক বা wwww.nvsp.in ত আপোনাৰ বিশদ তথ্য পৰীক্ষা কৰক

১৯৫০ ভোটাৰ হেল্পলাইন

@ceo_assam

@chiefelectoralofficerassam

@ceoassam

Chief Electoral Officer Assam

ভাৰত নিৰ্বাচন আয়োগ Election Commission of India

মুখ্য নিৰ্বাচনী বিষয়া, অসমৰ দ্বাৰা প্ৰচাৰিত